অধ্যায় - ৩ টেলিভিচনৰ বিশ্বজনীন নেটৰৰ্ক

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য
৩.২ পৰিচিতি
৩.৩ ফ্রান্স-বৃটিছ টেলিভিচনৰ বিনিময়
৩.৪ ইউৰো ভিচন
৩.৫ এছিয়াৰ বাহিৰৰ দেশসমূহৰ সৈতে থকা বাতৰিৰ নেটৰৰ্ক (Cross-Border network)
৩.৬ চি.টি.ভি. নেটৰৰ্ক
৩.৭. অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৩.৮ অগ্রগতিৰ খতিয়ান
৩.৯ অধিক জানিবলৈ
৩.১০ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়নৰ পাছত আপুনি নিম্নলিখিত বিষয়সমূহ বুজি পাবলৈ সক্ষম হ'ব।

- প্রযুক্তিবিদ্যা আৰু টেলিভিচন নেটৰৰ্কৰ উদ্যোগ হিচাপে বিকাশ।
- বিশ্বজনীন সংবাদ প্রৱাহৰ সম্যক ধাৰণা।
- বিশ্ব সংবাদ মাধ্যম আৰু যোগাযোগ ব্যৱস্থাৰ বিষয়ে ধাৰণা কৰা।
- এচিয়াৰ আন্তঃদেশীয় (Cross border) টেলিভিচন নেটৰৰ্কৰ বিষয়ে জ্ঞান লাভ কৰা।

৩.২ পৰিচিতি

এইকথা সর্বজনবিদিত যে টেলিভিচনে আমাৰ পৃথিৱীখনৰ আমূল পৰিৱর্তন ঘটালে। ইয়াৰ ফলত জনসাধাৰণে এখন নতুন পৃথিৱী, নতুন সমাজ ব্যৱস্থা, তথ্য প্রযুক্তিয়ে সৃষ্টি কৰা এখন নতুন ইতিহাসৰ বিষয়ে আলোচনা কৰিবলৈ সুবিধা লাভ কৰিছে। দশক জুৰি টেলিভিচনৰ পণ্ডিত সকলে বিশ্বজনীন টেলিভিচনক আমেৰিকা আৰু বৃটেইনৰ অনুষ্ঠানৰ সম্প্রচাৰৰ ঘটনাক সাংস্কৃতিক ঔপনিবেশিকতাৰ দৃষ্টিৰে চাইছিল; কিয়নো এই অনুষ্ঠান সমূহক উভয় দেশৰ বজাৰৰ প্রতি লক্ষ্য ৰাখি নির্মাণ কৰা হৈছিল আৰু তাৰ পাছত বিদেশৰ বজাৰলৈ মুকলি কৰি দিয়া হৈছিল। আমাৰ বাবে এই প্রচলিত আগ্রাসী ধাৰণা আৰু স্থানীয় তথা আন্তৰাষ্ট্রীয় প্রেক্ষাপটত ইয়াৰ কেন্দ্র / উপকেন্দ্র সমূহৰ অধ্যয়ন গুৰুত্বপূর্ণ যাতে টেলিভিচনৰ নতুন আৰু প্রাসঙ্গিক অৱতাৰক অনুধাৱন কৰিব পৰা যায়। টেলিভিচনৰ বিশ্বজনীন প্রসাৰ, ইয়াৰ সৈতে সংলগ্ন প্রযুক্তি আৰু উদ্যোগৰ দ্রুত পৰিৱর্তন তথা অনুষ্ঠান - দর্শকৰ বিবিধতাই টেলিভিচনক মাধ্যম আৰু অধ্যয়নৰ বিষয় হিচাপে

প্ৰতিষ্ঠা কৰাত সহায় কৰিছে।

আন্তঃদেশীয় (Transnational) টেলিভিচনে গোলকীকৰণৰ সৈতে অভিযোজিত হোৱাই নহয় ই নব্য গোলকীয় নীতি নিৰ্দেশনা যুগুত কৰাটো সহায় কৰিছে। এসময়ত টেলিভিচনক সম্প্ৰচাৰ চেনেলৰ ক্ষুদ্ৰ আকৰ হিচাপেহে গণ্য কৰা হৈছিল য'ত ক্ষুদ্ৰ সম্প্ৰচাৰকে মুষ্টিমেয় দৰ্শকৰ বাবে সেৱা আগবঢ়াইছিল। পৰৱৰ্তীত সময়ত অনুজ্ঞাপত্ৰ প্ৰাপ্ত অথবা ৰাজহুৱা প্ৰতিষ্ঠান সমূহে একেলগে বা পৃথকভাৱে সম্প্ৰচাৰ ব্যৱস্থাক প্ৰণালীবদ্ধ কৰাৰ প্ৰয়াস কৰিলে। নতুন প্ৰচেষ্টাসমূহক সাকাৰ ৰূপ দিয়াৰ যত্ন কৰা সকলে কোনো সময়ত হয়তো সংবাদ মাধ্যমৰ সৈতে জড়িত আছিল আৰু আন কেতিয়াবা তেওঁলোক মাধ্যমৰ বাহিৰৰ প্ৰতিষ্ঠানো আছিল। উদাহৰণস্বৰূপে ইউৰোপত টেলিভিচন সম্প্ৰচাৰৰ ক্ষেত্ৰত ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ টেলিভিচন চেনেল হঠাতে বৃদ্ধি পালে। ইয়াৰ উপৰি শেহতীয়া কুৰি বছৰত চেটেলাইটৰ বৃদ্ধি, কেব'ল আৰু পে টি.ভি. সেৱাৰো দ্ৰুত গতিত বৃদ্ধি পাইছে। বিতৰণ ব্যৱস্থাৰ ক্ষেত্ৰতো টেলি কমিউনিকেশ্বন আৰু কম্পিউটাৰৰ জগত খনত ন ন প্ৰতিষ্ঠানৰ অন্তৰ্ভুক্তি হ'বলৈ ধৰিছে। তাৰোপৰি সময়ৰ সৈতে খাপ খোৱা নতুন ধৰণৰ বাণিজ্যিক চুক্তি সমূহেও স্থানীয় আৰু আন্তঃৰাষ্ট্ৰীয় টেলিভিচন জগতখনত নতুন প্ৰতিষ্ঠানৰ আগমণৰ বাবে অৰিহণা যোগালে।

গোলকীয় টেলিভিচন, টেলিভিচন গোলকীকৰণ অথবা গোলকীয় টেলিভিচন উদ্যোগৰ পৰিপূৰক হয়নে? সীমাৰ সিপাৰৰ টেলিভিচনৰ দৰে নিৰপেক্ষ শব্দৰ ব্যৱহাৰ কৰিলে এই ধাৰণাৰ ব্যাখ্যা উচিত হ'ব নেকি? আমি উত্তৰ সম্প্ৰচাৰিত টেলিভিচন সম্প্ৰচাৰৰ সময়ত থিয় দিছোহি নেকি? আজিৰ সময়ত আন্তঃৰাষ্ট্ৰীয় টেলিভিচন ব্যৱস্থাক ইয়াৰ সৈতে কি ধৰণেৰে যুক্ত কৰিব পৰা যায়?

চালাবিয়ে (Chalaby, 2005) য়ে এইক্ষেত্ৰত চাৰিটা স্তৰৰ চিনাক্তকৰণ কৰিছে? জ্যাঁ কে. চালাবি হৈছে এগৰাকী সমাজতত্ত্ববিদ। তেওঁৰ বিশেষীকৰণৰ ক্ষেত্ৰখনে আন্তঃৰ্জাতিক সংবাদ মাধ্যম, আন্তঃৰাষ্ট্ৰীয় টেলিভিচন, তুলনামূলক সংবাদ মাধ্যমৰ অধ্যয়ন আৰু সংবাদ মাধ্যমৰ ইতিহাস সামৰি লয়। অৱশ্যে বিশ্ব টেলিভিচন শীৰ্ষক পুৰণি সংজ্ঞা এটিও এইক্ষেত্ৰত খাপ খাই পৰে। বিগত আশী বছৰত হোৱা উন্নয়নৰ ফলতেই টেলিভিচনৰ এই বিকাশ সম্ভৱ হৈ উঠিছে। দ্বিতীয় মহাযুদ্ধৰ আগে-পাছে পশ্চিমৰ উন্নত দেশৰ ধনী দৰ্শকৰ সন্মুখত দাঙি ধৰাৰে পৰা এতিয়ালৈকে এই সম্প্ৰচাৰ মাধ্যমে অতিশয় শক্তিশালী মাধ্যম ৰূপে বিশ্বত প্ৰতিষ্ঠা লাভ কৰিছে। টেলিভিচনৰ বিভিন্ন স্তৰীয় ব্যৱস্থাৰ সমান্তৰালকৈ বায়ৱীয় সজ্জাৰ ধাৰণা এটাও ক্ৰমাৎ বিকশিত হ'ল।

চালাবিয়ে (২০০৫) য়ে বিশ্ব টেলিভিচন ব্যৱস্থাৰ চাৰিটা জটিলভাৱে সংহত (Complexly integrated) আৰু পৰিৱৰ্তনশীল উপাদানৰ কথা উল্লেখ কৰিছে। প্ৰথম হৈছে সংবাদ মাধ্যমৰ উদ্যোগ উপাদান। এই উপাদানবিধ সাতটা বৃহৎ আন্তঃদেশীয় প্ৰতিষ্ঠানৰ লগতে গোলকীয় বজাৰ সন্নিবিষ্ট থকা বিভিন্ন বহুজাতিক প্ৰতিষ্ঠানৰ অৱদানৰে পুষ্ট। বি. বি. চি. বিশ্ব সংস্কৰণ এই ধৰণৰ বিশেষত্বৰে সমাহিত। (অৱশ্যে ইয়াক দ্বিতীয় শ্ৰেণীৰ উপাদানৰ উদাহৰণস্বৰূপেহে অধিক

সফলভাৱে শ্রেণীবিভাজন কৰিব পৰা যায়)।

দ্বিতীয়তে, গোলকীয় সংযোগ স্থাপনৰ অর্থে কেব'ল, চেটেলাইট আৰু ইণ্টাৰনেটৰ সংযোগ থকা এটা প্রযুক্তিগত আন্তঃব্যৱস্থাৰ প্রয়োজনীয়তা যাতে এই অনুষ্ঠান সমূহৰ কার্য্য সম্পাদনৰ বাবে সুচল হয়। ইয়াৰ লগতে আছে বাতৰি আৰু মনোৰঞ্জনৰ সৈতে জৰিত বিষয়বস্তু, তথ্য আৰু সেৱা ব্যৱস্থা - যিসমূহ এই গোলকীয় সম্প্রচাৰত প্রবাহিত হৈ থাকে।

শেষত আছে বিশ্বজনিন নিয়ন্ত্রণ ব্যৱস্থা। এই নিয়ন্ত্রণ ব্যৱস্থাত আন্তঃৰাষ্ট্রীয় সংস্থা সমূহ, প্রযুক্তি আৰু বাণিজ্য সম্প্রর্কীয় চুক্তি, আইনী সিদ্ধান্ত তথা অধ্যাদেশ সমূহ অন্তর্ভুক্ত হয়।

৩.৩. ফ্রান্স-বৃটিছ টেলিভিচনৰ বিনিময়

ফ্রান্সৰ অধিকাংশ ইংৰাজীভাষী বাসিন্দাই বৃটেইনৰ টেলিভিচনৰ অনুষ্ঠান, চিনেমা আৰু নিজৰ পছন্দৰ বাতৰি সমূহ চাবলৈ আগ্রহ প্রকাশ কৰে। ১৯৫০ আৰু ১৯৫২ চনত বৃটিছ ব্রডকাষ্ট ক'র্পৰেশ্বন (বি.বি.চি.) আৰু ৰেডিঅ' টেলিভিছ্যঅঁ ফছেজেঁ (Radio Television Francaise-RTF) য়ে প্রথমবাৰৰ বাবে আন্তঃদেশীয় টেলিভিচন সম্প্রচাৰৰ কথা অনুধাৱন কৰে। ক্কেখলেই সম্পৰীক্ষা (Calais Experiment, 1950) আৰু পেৰিছ সপ্তাহ (Paris Week) ঘটনাক ইউৰোপীয় টেলিভিচনৰ উল্লেখযোগ্য ঘটনা হিচাপে উদযাপন কৰা হয় আৰু এই দুই ঘটনাক উভয় দেশৰ মাজত সৌহাদ্যমূলক সম্বন্ধ হিচাপে অভিহিত কৰা হয়। দুয়োটা সম্পৰীক্ষাই বৃটেইন আৰু ফ্রান্সত টেলিভিচনক Champion National হিচাপে প্রতিষ্ঠিত কৰোৱাৰ ক্ষেত্রত মানুহৰ উচ্চাকাংক্ষা আৰু প্রত্যাহ্বান স্বীকাৰৰ প্রতিভূ হিচাপে স্বীকৃত হৈ আহিছে। বি.বি.চি. আৰু আৰ.টি.এফৰ মৈত্রীক সাংকেতিক ভাষাৰে পূর্ণ প্রযুক্তিবিদ্যাৰ ক্ষেত্রখনত ফ্রান্স আৰু বৃটিছ অংশদাৰিত্বৰ মাইলৰ খুঁটি হিচাপে চিহ্নিত কৰা হ'ল। এই সফল পৰীক্ষণে ১৯৫৩ চনত হোৱা মহাৰাণী দ্বিতীয় এলিজাবেথৰ ৰাজ অভিষেকক সমগ্র ইউৰোপত ৰিলে কৰি দেখুওৱাৰ বাবে পথ প্রশস্ত কৰি তুলিলে। ফলস্বৰূপে ইউৰোপীয় সম্প্রচাৰ সংস্থাত টেলিভিচনৰ অনুষ্ঠানৰ বিনিময় সুচল হৈ পৰিল। ইয়াৰ লগে লগে ১৯৫৪ চনত ইউৰো ভিচনে পাতনি মেলে। ফ্রান্স, বৃটিছ যুটিয়া অভিযানে ইউৰোপীয় সম্প্রচাৰ মাধ্যমৰ আন্তঃগাঁঠনিৰ পৰিৱর্তন পৰিৱর্তন সাধন কৰিলে আৰু আৰ.টি.এফ.ৰ অনুষ্ঠান সঞ্চালক জ্যাঁ ড্য আৰচেই (Jean d'Arcy)ৰ দৰে ব্যক্তিসকল হৈ পৰিল ইউৰোপত টেলিভিচন সম্প্রচাৰণ প্রসাৰৰ মুখ্য বাহক।

আনহাতে উভয় দেশৰ মৈত্রী সম্বন্ধই দেশ দুখনৰ মাজত থকা ঐতিহাসিক শত্রুতা পাহৰোৱাৰ প্রয়াস কৰিছিল যদিও প্রযুক্তি সম্পর্কীয় ৰাজনৈতিক সংকটে দেখা দিলে। ইউৰোপৰ কলা-বগা টেলিভিচন আৰু উচ্চ ৰিজ'লিউশ্যন তথা উন্নত ছবি মানৰ লাইন ষ্টেণ্ডার্ড মাজত হোৱা মনোমালিন্যই প্রধান। মহাযুদ্ধৰ পাছত বৃটিছ সকলে প্রাক্ যুদ্ধকালীন ৪০৫v লাইন ষ্টেণ্ডার্ডৰ টেলিভিচন সেৱা মুকলি কৰিছিল যদিও ফ্রান্সে ১৯৪৮ চনত জাৰি কৰা ৰাজনৈতিক আদেশ অনুসৰি ৮১৯ লাইন ষ্টেণ্ডার্ডৰ উচ্চ ৰিজ'লিউশ্যন বিশিষ্ট টেলিভিচন সেৱা মুকলি কৰিলে।

সেয়েহে ক্ৰেখলেই সম্পৰীক্ষা আৰু পেৰিচ সপ্তাহৰ সফলতা নিৰ্ভৰ কৰিবলগীয়া হ'ল লাইন কনৰ্ভাটাৰ ওপৰত। ইয়াৰ কাৰণ হৈছে লাইন কনৰ্ভাটাৰে দুয়োটা প্ৰযুক্তিৰ মাজৰ সমন্বয় ব্যৱস্থা হিচাপে কাম কৰিব পাৰিছিল। অথচ ১৯৫০ আৰু ১৯৫২ চনৰ সম্পৰীক্ষাৰ সময়ত বি.বি.চি. আৰু আৰ.টি.এফ. প্ৰযুক্তিবিদসকলৰ হস্তনিৰ্মিত কৌশলে সুন্দৰভাৱে কাম সম্পন্ন হোৱাত সহায় কৰিছিল যিয়ে পৰৱৰ্তী সময়ত টেলিভিচনৰ 'ইউৰোপীয় আৰ্হি' হিচাপে বিশ্বত চিনাকি কৰাই দিছিল। বৃটিছ আৰু ফ্ৰান্সে ৰক্ষণমূলক ঔদ্যোগীক নীতি গ্ৰহণ কৰি ন কৈ বিকশিত টেলিভিচনৰ সন্মুখত ৰেডিঅ' উদ্যোগৰ ঘৰুৱা বজাৰখন সুনিশ্চিত কৰি ৰাখিবলৈকো প্ৰচেষ্টা চলালে।

ক্ৰেখলেই সম্পৰীক্ষা আৰু পেৰিচ সপ্তাহে দ্বিপাক্ষিক টেলিভিচন সম্প্ৰচাৰৰ সাম্ভব্যতাক প্ৰতিপন্ন কৰিলে আৰু ইউৰোপীয় ব্ৰডকাষ্টিং ইউনিয়ন (EBU) ৰ নিয়মিত অনুষ্ঠান বিনিময়ত বেজেছ্যাঁ (Bezencon) আঁচনিৰ ৰূপায়ণ সুচল কৰিলে। ছুইজাৰলেণ্ডৰ মাসছেল বেজেছ্যাঁ (Marcel Bezencon) আছিল ইউৰোপত পৰিকল্পিত টেলিভিচন অনুষ্ঠানৰ বিনিময় ধাৰণাৰ জন্মদাতা। কিন্তু তেতিয়াও ইউৰো ভিচনে প্ৰতিষ্ঠা লাভ কৰিবলৈ এটি ঘটনাৰ অপেক্ষাত আছিল। এই ঘটনা ঘটিছিল ১৯৫৩ চনৰ জুন মাহত। সেয়া আছিল ৰাণী দ্বিতীয় এলিজাবেথৰ ৰাজ অভিষেকৰ পৰিঘটনা। টেলিভিচনৰ ইতিহাসত প্ৰথমবাৰৰ বাবে ৰাজ অভিষেক অনুষ্ঠান পাঁচখন দেশ - গ্ৰেট বৃটেইন, ফ্ৰান্স, জাৰ্মানী, ডেনমাৰ্ক আৰু নেদাৰলেণ্ডত পোনপটীয়াকৈ সম্প্ৰচাৰ কৰা হ'ল। এই পোনপটীয়া সম্প্ৰচাৰৰ প্ৰভাৱ আছিল অপৰিসীম। টেলিভিচনক জীৱনৰ অংগাঙ্গী অংশ হিচাপে প্ৰতিষ্ঠা হোৱাত আৰু বিশ্বজুৰি টেলিভিচনৰ সম্যক বিকাশ ঘটাত এই পোনপটীয়া সম্প্ৰচাৰে অভূতপূৰ্ব অৰিহণা যোগালে।

৩.৪ ইউৰো ভিচন

ইউৰো ভিচনৰ অধীনত নিৰ্মাণ হোৱা সংগীভিত্তিক আৰু কুষ্টি তথা শাৰীৰিক যুদ্ধভিত্তিক আন্তঃদেশীয় অনুষ্ঠান সমূহে ইউৰোপৰ দেশসমূহক একত্ৰিত কৰিবলৈ সক্ষম হৈছিল। মাধ্যম হিচাপে টেলিভিচনৰ আন্তঃদেশীয় চৰিত্ৰ বুজি উঠাৰ বাবে টেলিভিচনৰ ইতিহাসত ইউৰো ভিচনৰ অধীনৰ এই বৈশিষ্ট্যক অনুধাৱন কৰাটো প্ৰয়োজন। অনুষ্ঠান সমূহ EBU ৰ সদস্যসকলে জমা দিয়া আৰু মনোনীত কৰা অনুষ্ঠানসমূহেই যে কেৱল আন্তঃদেশীয়ই আছিল এনে নহয়, এই অনুষ্ঠানসমূহ ৰাষ্ট্ৰীয় প্ৰচাৰ সূচীৰ অধীনতো প্ৰচাৰ কৰিব পাৰিছিল। অৱশ্যে এইসমূহ অনুষ্ঠানে ৰাষ্ট্ৰীয় পৰ্য্যায়ত প্ৰত্যাহ্বানৰ সৃষ্টি কৰা নাছিল কিয়নো ইউৰো ভিচন মুখ্যত ব্যৱহাৰ কৰা হৈছিল বাতৰি আৰু খেল সম্বন্ধীয় দৃশ্যাৱলী বিনিময়ৰ বাবে। এই সমূহ ফুটেজ প্ৰয়োজন সাপেক্ষে দৰ্শকৰ ৰুচি অনুযায়ী আৰু নিজৰ দেশৰ সাংস্কৃতিক পৰিৱেশৰ লগত খাপ খোৱাকৈ পুনঃ পুনঃ সম্পাদনা আৰু বৰ্ণনা কৰিব পৰা গৈছিল। ইউৰো ভিচন মূলত দুয়োখন দেশৰ বুজাবুজিৰ পাছত স্থাপিত হোৱা এটি অব্যৱসায়িক আৰ্হি আছিল যদিও ই EBU য়ে সম্প্ৰচাৰ কৰা অনুষ্ঠান সমূহৰ সময়সূচীক সমগ্ৰ ইউৰোপৰ টেলিভিচন অনুষ্ঠানৰ সৈতে একত্ৰিকৰণ কৰি টেলিভিচনৰ অনুষ্ঠান

সমূহক বাণিজ্যিকীকৰণ কৰাৰ উদ্দেশ্য এটাও নিহিত হৈ আছে। ১৯৬০ আৰু ১৯৭০ ৰ দৰ্শকৰ টেলিভিচন চোৱা সময় (Television Hour) ৰ বৃদ্ধি হোৱাৰ পৰিপ্রেক্ষিতত সম্প্রচাৰকাৰী সকলে অন্য দেশৰ অনুষ্ঠানৰ সৈতে একেলগে অনুষ্ঠান সূচী নির্মাণ কৰাত সহায়কৰ হৈ উঠিল আৰু ইয়াৰ ফলত আগৰ অনুষ্ঠান নির্মাণতকৈ খৰচো হ্রাস পালে।

ইউৰোপীয় সম্প্রচাৰ সংস্থা (European Broadcasting Union) ৰ অংশ হিচাপে ১৯৫৪ চনত ছুইজাৰলেণ্ডৰ জেনেভাত ইউৰো ভিচন টেলিভিচন নেটৱৰ্কৰ স্থাপন কৰা হয়। টেলিভিচনৰ অনুষ্ঠান আৰু বাতৰিৰ ফুটেজ বিনিময়ৰ কাৰণে (Euro Vision New Exchange EVN-ৰ জৰিয়তে দৈনিক বাতৰি বিনিময় কৰা হৈছিল) ইউৰো ভিচন প্রতিষ্ঠা কৰা হৈছিল। ১৯৫৪ চনৰ ৬ জুন তাৰিখে আনুষ্ঠানিকভাৱে ইউৰো ভিচনৰ প্রথম অনুষ্ঠান সম্প্রচাৰিত হয়। ছুইজাৰলেণ্ডৰ Montraux Narcibsus উৎসৱৰ পোনপটীয়া সম্প্রচাৰৰ জৰিয়তে ইউৰো ভিচনৰ অনুষ্ঠানৰ প্রথমবাৰৰ বাবে পোনপটীয়া সম্প্রচাৰ আৰম্ভ হয়। এই অনুষ্ঠান একে সময়তে বেলজিয়াম, ডেনমার্ক, ফ্রান্স, জার্মানী, ইটালী, নেদাৰলেণ্ড আৰু ব্রিটেইনত ৰিলে কৰি প্রচাৰ কৰা হৈছে। আন্তৰাষ্ট্রীয় পর্যায়ত পোনপটীয়া সম্প্রচাৰ কৰা প্রথম অনুষ্ঠানটি আছিল ৰাণী দ্বিতীয় এলিজাবেথৰ অভিষেক অনুষ্ঠান। এই শিহৰণকাৰী দৃশ্য প্রত্যক্ষ কৰিবলৈ সেই সময়ত উপলব্ধ অল্পসংখ্যক টেলিভিচন চেটৰ সন্মুখত অজস্র দর্শকে ভিৰ কৰিলেহি। ছুইজাৰলেণ্ডৰ লুগান'ত ইউৰো ভিচনৰ প্রথম সংগীত প্রতিযোগিতাৰ আয়োজন কৰা হয়। প্রতিযোগিতাত সাতখন দেশৰ পৰা অহা অংশগ্রহণকাৰীয়ে ভাগ ললেহি আৰু মুঠ দহটা ৰাষ্ট্রীয় সম্প্রচাৰকে এই অনুষ্ঠানৰ পোনপটীয়া সম্প্রচাৰ কৰিলে। কম সংখ্যকেহে জানিলে যে ইউৰো ভিচন নেটৱৰ্কৰ প্রভাৱ প্রদর্শনৰ কাৰণেহে প্রকৃতার্থত এই প্রতিযোগিতাৰ আয়োজন কৰা হৈছে। ত্রিশ সংখ্যক ইউৰো ভিচন সংগীত প্রতিযোগিতা গুটেনবার্গত অনুষ্ঠিত হৈছিল আৰু প্রথম বাৰৰ বাবে সেই বছৰ এই অনুষ্ঠান ছেটেলাইটৰ জৰিয়তে ইউৰো ভিচন গ্লোৱেল নেটৱৰ্কত প্রচাৰ কৰা হয়। নৱৰে'ৰ দ্বৈত শিল্পীদ্বয় Bobbysocks য়ে La det swinge গীতেৰে এই প্রতিযোগিতাৰ খিতাপ দখল কৰিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ ইউৰো ভিচন কেতিয়া আৰু কিয় প্রতিষ্ঠা কৰা হৈছিল?

.....

.....

.....

প্রশ্ন ২ ঃ ইউৰো ভিচনৰ প্রথম সংগীত প্রতিযোগিতা ক'ত অনুষ্ঠিত কৰা হৈছিল?

.....

৩.৫ এছিয়াৰ বাহিৰৰ দেশসমূহৰ সৈতে থকা বাতৰিৰ নেটৱৰ্ক (Cross-Border Network)

Cross-Border News অৰ অর্থ হৈছে এখন দেশৰ বর্তমান বাসিন্দা দর্শকে আন এখন দেশত নির্মিত অনুষ্ঠান সমূহ উপভোগ কৰা। বিগত দহ বছৰত সীমাৰ সিপাৰৰ পৰা অহা বা-বাতৰিৰ নিৰবচ্ছিন্ন সোঁতে জনসাধাৰণৰ বাতৰি গ্রহণৰ অভ্যাসৰ দ্রুত পৰিৱর্তন ঘটাইছে। দহ বছৰৰ আগেয়ে ব্যয় বহুলতাই সীমাৰ সিপাৰৰ বাতৰি বিতৰণত বৃহৎ হেঙাৰস্বৰূপে থিয় দিছিল আৰু ইয়ে বি.বি.চি., চি.এন.এন. আৰু ফাইনেন্সিয়েল টাইমছৰ দৰে সুপ্রসিদ্ধ অনুষ্ঠানৰ বাবেহে বাতৰিৰ সৰবৰাহ কৰা সম্ভৱপৰ কৰি তুলিছিল। কিন্তু প্রযুক্তিৰ বিকাশৰ বাবেই বিগত দশকত বিতৰণৰ ব্যয় হ্রাস পাইছে। ফলত বাতৰিৰ আন্তঃৰাষ্ট্রীয় চাহিদা পূৰণ কৰিবলৈ প্রতিষ্ঠানসমূহ সক্ষম হ'বলৈ ধৰিছে। ফলস্বৰূপে সীমাৰ সিপাৰৰ বাতৰি গ্রহণৰ বাবে দর্শক বৃদ্ধি পালে আৰু নতুন নতুন বাতৰি সংস্থাৰো প্রৱেশ ঘটা পৰিলক্ষিত হ'ল।

শেহতীয়া কেইবাটাও দশকত সীমাৰ সিপাৰৰ পৰা সম্প্রচাৰ হোৱা টেলিভিচন চেনেল সমূহ সমগ্র বিশ্বত ক্রমশঃ বৃদ্ধি পাবলৈ ধৰিছে। দক্ষিণ এছিয়াত ষ্টাৰ (Star) আৰু জি. (Zee) টি.য়ে স্থানীয় সম্প্রচাৰ সমূহৰ সন্মুখত প্রত্যাহ্বান থিয় কৰাই নিজৰ এখন বজাৰ সৃষ্টি কৰাত সফল হয়। মধ্যপ্রাচ্যৰ দেশত এম.বি.চি.ৰ দৰে ছেটেলাইট চেনেলে বাতৰি সংগ্রহৰ ক্ষেত্রত আর্হিৰ সৃষ্টি কৰিছে তথা আল-জাৰিৰাৰ দৰে স্বতন্ত্র সংস্থা সমূহে চৰকাৰৰ নিদ্রা হৰণ কৰিছে।

উত্তৰ আমেৰিকা আৰু ইউৰোপত মুখ্যত চি.এন.এন. -এ আন্তঃৰাষ্ট্রীয় বাতৰি পৰিৱেশন আৰু বিশ্বজনীন বার্তা প্রেৰণৰ ধাৰণাৰ পৰিৱর্তন ঘটাইছে। আন্তঃদেশীয় টেলিভিচন চেনেল সমূহৰ সংবাদ মাধ্যমৰ বজাৰখনত ভিন ভিন প্রভাৱ আছিল যদিও এই চেনেলসমূহৰ য'তেই বিকাশ হৈছে তাতেই চেনেল সমূহে গোলকীকৰণৰ বিভিন্ন বিষয় উত্থাপিত কৰিছে। এই সমূহ চেনেলে ভৌগোলিক চাৰিসীমাৰ বাহিৰত অৱস্থান কৰে আৰু সেয়েহে এই চেনেল সমূহৰ চৰিত্র ৰাষ্ট্রীয় চেনেলসমূহতকৈ পৃথক। এই চেনেলসমূহে সীমাৰ সিপাৰৰ বাতৰি সংগ্রহ, বহুজাতিক দর্শক, দর্শক আৰু আন্তঃর্জাতিক অনুষ্ঠান নির্মাণ তথা কার্য্যক্ষমতাৰ জৰিয়তে ভৌগোলিক সীমাৱদ্ধতাৰ পৰিধি ভাঙি সম্প্রচাৰ মাধ্যম, ৰাষ্ট্র আৰু জাতিয়তাবাদক প্রত্যাহ্বান জনাবলৈ সক্ষম হ'ল।

আন্তঃদেশীয় টেলিভিচনে কেৱল যে গোলকীকৰণৰ সৈতেই অভিযোজন কৰিছে তেনে নহয় ই নতুন গোলকীয় নীতি নির্দ্ধাৰণতো সহায় কৰিছে। সীমাৰ সিপাৰৰ চেনেলবোৰে এখন নির্দিষ্ট ঠাইত গোলকীকৰণক বহনক্ষম কৰি তুলি সেই অঞ্চলসমূহৰ সাংস্কৃতিক, অর্থনৈতিক আৰু ৰাজনৈতিক পৰিৱেশৰ পৰিৱর্তন ঘটায়। এই চেনেলসমূহে তথ্য সৰবৰাহত নতুন সংযোজন ঘটাই নব্য যোগাযোগ আৰু বিনিময় ব্যৱস্থাৰ সৈতে সংলগ্ন হয় যিয়ে অঞ্চল একোটাক বিশ্বৰ সৈতে একে সমানে খোজ দিয়াত সহায় কৰে।

আন্তঃদেশীয় টেলিভিচন চেনেল সমূহৰ সময় আৰু স্থানৰ সৈতে এটা সম্পর্ক আছে যিটো

স্থানীয় চেনেলতকৈ পৃথক। সাধাৰণতে, টেলিভিচন সমূহে এখন ৰাষ্ট্ৰৰ ভৌগোলিক সীমাৰ ভিতৰত কার্য্য সম্পাদন কৰে। ৰাজহুৱা খণ্ডৰ সম্প্রচাৰ মাধ্যমৰ সমূহৰ ক্ষেত্রত উইলিয়াম মেলডিয়ে কোৱাৰ দৰে, তেওঁলোকৰ অর্থনৈতিক বিনিয়োগ "ঘৰুৱা দর্শকৰ সৈতে সংহত হৈ থাকে।" ইয়াৰ বিপৰীতে আন্তঃদেশীয় টেলিভিচন চেনেলসমূহে বিভিন্ন দেশৰ দর্শকৰ বাবে নিজৰ প্রচাৰ আৰু প্রসাৰ সামৰি টেলিভিচনৰ ৰাষ্ট্ৰৰ সৈতে থকা সহজাত সম্পর্কৰ প্রতি প্রত্যাহ্বানৰ সৃষ্টি কৰে।

প্রসাৰৰ দিশৰ পৰা এই ধৰণৰ টেলিভিচনক তিনি প্রকাৰত ভাগ কৰিব পাৰি — ১) বহু ভৌগোলিক (Multi Territory) ২) সর্ব-আঞ্চলিক (Pan-Regional) ৩) বিশ্বজনীন (Global)।

বহু ভৌগোলিক চেনেলসমূহে দুটাৰ পৰা ছটা ভৌগোলিক অঞ্চল সামৰি লয়। এই সম্প্রচাৰক সকলৰ অঞ্চলৰ সীমাবদ্ধতা থকাৰ কাৰণ হয়তো তেওঁলোকৰ সম্পদৰ অভাৱ অথবা বৃহৎ অঞ্চল সামৰিবৰ বাবে ব্রেণ্ড আৰু সামগ্রীৰ অভাৱ।

বিংশ শতিকাত এছিয়াৰ যোগাযোগ আৰু সংবাদ মাধ্যমৰ পৰিৱর্তন ত্বৰান্বিতভাৱে হোৱা পৰিলক্ষিত হয়। আন্তঃদেশীয় টেলিভিচনৰ আগ্রাসনে বিংশ শতিকাৰ শেষৰ দশকত এছিয়াৰ চৰকাৰ, সম্প্রচাৰক, বিজ্ঞাপনদাতা আৰু দর্শকক নতুন নতুন চমৎকাৰেৰে আচম্বিত কৰি তুলিলে। কেৱল চৰকাৰৰ অধীনত সম্প্রচাৰিত হোৱা ৰাজহুৱা অথবা ব্যক্তিগত চেনেলসমূহৰ পৰিৱেশনত অভ্যস্ত দর্শকসকল উপকূলীয় যুদ্ধৰ সময়ত ১৯৯০-৯১ চনত হোৱা চি.এন.এন.-অৰ সম্প্রচাৰে নতুন সোৱাদ প্রদান কৰিলে। আন্তঃদেশীয় মাধ্যম সমূহ এছিয়াৰ বিভিন্ন দেশত অতিশীঘ্রে চেটেলাইট ডিচৰ বিক্রী, অবৈধ অথবা আংশিকভাৱে বৈধ কেবল নেটৱৰ্ক স্থাপনৰ বৃদ্ধিত অভূতপূর্ব অৰিহণা যোগালে। সম-সাময়িকভাৱে ইণ্টাৰনেট আৰু ৰায়াৰলেচ টেলিফোন ব্যৱস্থাৰ উন্নয়নে এছিয়াৰ বায়'ৰীয় যোগাযোগ ব্যৱস্থাৰ আন্তঃগাঁথনিৰ পৰিৱর্তন ঘটাই মহাদেশখনত এখন লোভনীয় বজাৰৰ সৃষ্টি কৰিলে। এইদৰেই বিশ্বায়নৰ প্রভাৱৰ বিতর্ক চলি থকা সময়তে এছিয়াৰ বিভিন্ন দেশত ভৌগোলিক সীমা অতিক্রমে আন্তঃদেশীয় চেনেল সমূহ চেটেলাইট আৰু কেবলৰ জৰিয়তে সংযোজিত হৈ থাকিবলৈ ধৰিলে।

সাম্প্রতিক দশকত যোগাযোগৰ ন ন প্রযুক্তিৰ উদ্ভাৱনে (যেনে - জিঅ' ষ্টেচনাৰী চেটেলাইট, অপ্তিকেল ফাইবাৰ, ডিজিটেল ট্রেন্সমিচন, কম্পিউটাৰ নেটৱৰ্ক, ম'বাইল ফোন, অনলাইন পুথিভঁৰাল আৰু ডাটাবেঙ্ক, ই-মেইল ইত্যাদি) বিশ্বৰ সংবাদ মাধ্যম আৰু যোগাযোগ ব্যৱস্থাৰ বৈপ্লৰিক পৰিৱর্তন ঘটাইছে। এই উন্নয়নৰ সমানুপাতিকভাৱে মাধ্যম সমূহৰ ছফটৱেৰ আৰু হার্ডৱেৰ নির্মাণৰ বিশ্বজনীন আৱেদনৰ প্রতি লক্ষ্য ৰাখি ব্যৱসায়িক, বিনিয়োগকাৰী আৰু ৰাষ্ট্ৰৰ নিয়ন্ত্রণ বাঢ়িবলৈ ধৰিলে। তথ্যৰ অসীম সৰবৰাহে এই দেশসমূহত গণতান্ত্রিক সমাজ ব্যৱস্থাৰ অধিক বিকাশ ঘটাব আৰু উন্নত দেশসমূহৰ সৈতে সমানে ফেৰ মাৰিব পৰা ধৰণে অর্থনৈতিক বিকাশ ঘটাব বুলি নতুন প্রযুক্তিৰ প্রবক্তাসকলে ব্যাখ্যা দাঙি ধৰিলে। সমালোচকসকলে অৱশ্যে আশংকা প্রকাশ কৰিলে যে এই নব্য প্রযুক্তিবিদ্যাই উন্নয়নশীল দেশসমূহক উন্নত দেশসমূহৰ ওপৰত অধিক নির্ভৰশীল কৰি তুলিব অথবা উন্নয়নশীল দেশসমূহৰ ধনী আৰু দুখীয়াৰ মাজৰ অসমতা বৃদ্ধি

কৰিব। একবিংশ শতিকাৰ আৰম্ভণিতে প্ৰায় ৫০ লাখ টেলিভিচনৰ সৈতে এছিয়াত বিশ্বৰ ভিতৰত সৰ্বাধিক মাত্ৰাত টেলিভিচনৰ প্ৰসাৰ ঘটিছে। এটা দশকৰ ভিতৰত এই সংখ্যা সত্তৰ লাখ হ'ব বুলি আশা কৰা হৈছে। দৰ্শক সকলক নতুন নতুন অনুষ্ঠান উপভোগৰ আনন্দ প্ৰদান, ঘৰুৱা সংবাদ মাধ্যমৰ প্ৰতি প্ৰত্যাহ্বান আৰু দেশৰ চৰকাৰ সমূহক ব্যতিব্যস্ত কৰি আন্তঃদেশীয় টেলিভিচনে ১৯৯০ দশকৰ আৰম্ভণিৰে পৰা এছিয়াত পৰিৱৰ্তনৰ সূচনা কৰিলে। এই ধাৰাৰ আৰম্ভণি কৰিলে ষ্টাৰ টি.ভি.য়ে। ১৯৯১ চনৰ শেষৰ ফালে সম্প্ৰচাৰ আৰম্ভ কৰি ষ্টাৰ টি.ভি.য়ে সমগ্ৰ এছিয়াত চেটেলাইটৰ যোগেদি নিজৰ স্থিতি শক্তিশালী কৰি তুলিলে। যদিও চি.এন.এন.-এ ষ্টাৰ টি.ভি.তকৈ কেইবামাহো আগৰে পৰা সম্প্ৰচাৰ আৰম্ভ কৰিছিল তথাপি সেয়া আছিল আমেৰিকা কেন্দ্ৰীক আৰু ৰিলে অনুষ্ঠান। তাৎক্ষণিকভাৱে, তাৰ কেইবছৰমানৰ ভিতৰতে বুজন সংখ্যক অন্যান্য আন্তঃদেশীয় চেনেলে এছিয়াত ভূমুকি মাৰিলে। কোনোৱে যদি অঞ্চলটোত নতুনকৈ চেনেল খুলিলে আন কোনোৱে আকৌ স্থানীয় পৰিৱেশকৰ সৈতে অংশদাৰিত্বৰ ভিত্তিত নিজৰ গোলকীয় সংস্কৰণ মুকলি কৰিলে। ইয়াৰ লগতে, (আন্তঃদেশীয় চেনেলৰ আগমণৰ পূৰ্বে বা পাছতো) চেটেলাইটৰ জৰিয়তে সম্প্ৰচাৰিত হৈ থকা ঘৰুৱা চেনেলসমূহো চলি থাকিল। যদিও বহুকেইটা ঘৰুৱা চেনেল নিজৰ অঞ্চলতে উপলব্ধ আছিল তাৰে ভিতৰৰে কেইটামান ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ চেনেলে আন্তঃৰাষ্ট্ৰীয় দৰ্শকক আকৰ্ষণ কৰিবলৈ প্ৰয়াস আৰম্ভ কৰিলে। মুঠতে চেটেলাইট, কেব'ল আৰু ডিজিটেল প্ৰযুক্তিক হাতৰ মুঠিলৈ আনি আঞ্চলিক তথা গোলকীয় সম্প্ৰচাৰক সকলে এছিয়াৰ টেলিভিচনৰ উদ্যোগৰ ৰূপৰ সম্পূৰ্ণভাৱে পৰিৱৰ্তন ঘটালে।

AsiaSat1 য়ে ষ্টাৰ টি.ভি.ক এছিয়াত সম্প্ৰচাৰণৰ বাবে সহায় কৰাৰ পাছৰে পৰা আন চেটেলাইট সমূহেও অঞ্চলটোত বাণিজ্যৰ প্ৰসাৰ ঘটাবলৈ প্ৰৱেশ কৰিলে। যোগাযোগ আৰু সংবাদ মাধ্যম প্ৰযুক্তিৰ দ্ৰুত একত্ৰিকৰণৰ ফলত ১৯৯০ দশকত বহুকেইখন উৎক্ষেপণ কৰা চেটেলাইট সমূহক বহুমাত্ৰিক লক্ষ্যৰ বাবে নিৰ্মাণ কৰা হৈছিল। বৰ্তমানে এছিয়াত বহুতো চেটেলাইট কাৰ্য্যকৰী হৈ আছে যিসমূহ টেলিফোন, ডাটা সংযোগী, নৌ-পৰিৱহন, ভৌগোলিক ক্ষেত্ৰ অধ্যয়ন, বতৰ বিজ্ঞান অধ্যয়ন আৰু আন সেৱাসমূহ প্ৰদান কৰাৰ কাৰণে ব্যৱহাৰ কৰা হয়। ১৯৯৭ চনত এছিয়াত হোৱা অৰ্থনৈতিক দুৰ্যোগে চেটেলাইট উদ্যোগলৈ অস্থায়ী সংকট আনিছিল যদিও ২০০০ চনত সেই সংকট আঁতৰি যোৱাৰ ভৱিষ্যতবাণী কৰা হৈছিল। এছিয়াৰ ৯০ টা জিঅ' ষ্টেচনাৰী চেটেলাইটে কাৰ্য্যৰত দেশৰ ৩০ ডিগ্ৰী উত্তৰ আৰু ১৮৬ ডিগ্ৰী পূব দ্ৰাঘিমাংশত অৱস্থিত হৈ অঞ্চলভিত্তিক, জনসমূদায় কেন্দ্ৰীক বাতৰি আৰু অনুষ্ঠান সম্প্ৰচাৰৰ যোগেদি বজাৰ দখল কৰিবলৈ সক্ষম হৈছে।

চি.এন.এন. ঃ সেইসময়ৰ একমাত্ৰ, প্ৰকৃত গোলকীয় নেটৱৰ্ক হিচাপে দাবী কৰা চি.এন.এন.-এ ভৌগোলিক দিশৰ পৰা ১৯৯০ চনলৈকে ২১২ খন দেশত ১২ টা চেটেলাইটৰ জৰিয়তে প্ৰায় ১৫০ মিলিয়ন গৃহত সেৱা প্ৰদান কৰিছিল (অৱশ্যে এই পৰিসংখ্যাত কাৰ্য্যালয়

আৰু হোটেলৰ কোঠা বাদ দিয়া হৈছে)। ১৯৯১ চনত এছিয়াত প্ৰৱেশ কৰাৰ সময়ত চি.এন.এন.ৰ আন্তঃৰাষ্ট্ৰীয় বাতৰি সমূহৰ অধিকাংশ হংকং আৰু লণ্ডণত প্ৰস্তুত কৰা হৈছিল যদিও আমেৰিকাৰ প্ৰভাৱ সুস্পষ্টভাৱে পৰিলক্ষিত হৈছিল।

বি.বি.চি. ৱৰ্ল্ড ঃ ১৯৯১ চনত ষ্টাৰ টি.ভি. ষ্টেৱলৰ অংশ হিচাপে এছিয়াত প্ৰৱেশ কৰা বি.বি.চি. ৱৰ্ল্ড হৈছে এছিয়া ভিত্তিক বাতৰি প্ৰচাৰ কৰা অগ্ৰণী সম্প্ৰচাৰক। চীন প্ৰশাসনক ৰুস্ত কৰাৰ বাবে ১৯৯৪ চনত AsiaSet1 অৰ উত্তৰাৰ্দ্ধৰ পৰা ষ্টাৰ টি.ভি.য়ে ইয়াৰ অংশদাৰিত্ব বাতিল কৰাৰ লগে লগে বি.বি.চি. ৱৰ্ল্ডৰ বিতৰণ আধালৈ হ্ৰাস পায়। ১৯৯৬ চনত চেনেলটোৱে পুনৰ ষ্টাৰ টি.ভি.ৰ সৈতে যুটি বান্ধে আৰু PanAmSat চেটেলাইটৰ জৰিয়তে পুনৰ এছিয়াত প্ৰচাৰ আৰম্ভ কৰে। এইবাৰ প্ৰতিষ্ঠানটোৱে Pas-2 চেটেলাইটৰ জৰিয়তে ডিজিটেল কম্প্ৰেছনৰ সহায়ত এছিয়াৰ দক্ষিণ-পূৱ আৰু উত্তৰ-পূৱ অঞ্চলত তথা Pas-4 অৰ এনালগাছ অফৰ জৰিয়তে দক্ষিণ আৰু পশ্চিম এছিয়াত বিস্তাৰ ঘটালে। বি.বি.চি. ৱৰ্ল্ডৰ হংকং, চিঙ্গাপুৰ, থাইলেণ্ড, জাপান, ফিলিপাইনচ আৰু মালয়েচিয়াত কেবল নেটৱৰ্ক সমূহৰ সৈতে বিতৰণৰ বাবে বিশদ চুক্তি আছে।

এ.বি.এন. ঃ অধিকাংশ পশ্চিমীয়া ধ্যান-ধাৰণাৰে পুষ্ট যদিও এ.বি.এনে. এছিয়াত ব্যৱসায়িক বাতৰি সমূহ বহুল প্ৰচাৰ ঘটালে। Dow Jones, টি.ভি. নিউজিলেণ্ড আৰু Telecommunication incorporation of the USৰ সৈতে প্ৰতিষ্ঠানটোৰ ২৯.৫ শতাংশ শ্বেয়াৰ আছে।

চি.এন.বি.চি.-এছিয়া পেচিফিক ঃ আমেৰিকাৰ এন.বি.চি. চেনেলৰ সহযোগী হিচাপে চি.এন.বি.চি. এছিয়া সংস্কৰণে ১৯৯৪ চনৰ নৱেম্বৰ মাহত ৱাৰ্ফ কেবলৰ জৰিয়তে হংকঙত আত্মপ্ৰকাশ কৰে। পাছত ২৪ ঘণ্টীয়া প্ৰসাৰণৰ ব্যৱসায় ভিত্তিক চেনেল চি.এন.বি.চি. এছিয়া আৰু মনোৰঞ্জনৰ বাবে এন.বি.চি. এছিয়া হিচাপে সম্প্ৰচাৰ কৰিবলৈ লয়।

চি.টি.এন. ঃ হংকঙৰ আদৰ্শৰে পুষ্ট চি.টি.এন. হৈছে চি.এন.এন.ৰ চীনা মূলীয় পৰিপূৰক। চি.টি.এন.-এ খেল, বাতৰি, জীৱনশৈলী, ব্যৱসায়কভিত্তিক বাতৰি প্ৰচাৰ, তথ্যচিত্ৰ নিৰ্মাণ আদি সকলো ভাষা মেণ্ডেৰিয়ান নামৰ চীনা ভাষাত প্ৰচাৰ কৰে। মূল কেন্দ্ৰ হংকঙৰ বাহিৰত PanAmSat 2 ব্যৱহাৰ কৰি চি.টি.এন.-এ মুখ্যত টাইৱানৰ বজাৰ দখল কৰাৰ লক্ষ্য আগত ৰাখি ১৯৯০ দশকৰ মাজভাগত অঞ্চলটোত চাৰি মিলিয়নতকৈ অধিক গৃহ দখল কৰি চেনেলটোৰ প্ৰায় ৮০ শতাংশ প্ৰসাৰ ঘটায়।

ডিস্কোভাৰী এছিয়া ঃ আমেৰিকাত ১৯৮৫ চনতে প্ৰতিষ্ঠা হৈছিল যদিও শিক্ষামূলক আৰু তথ্যচিত্ৰ নিৰ্মাণকাৰী ডিস্কোভাৰী চেনেলে এছিয়াত পলমকৈ, ১৯৯৪ চনৰ জানুৱাৰী মাহত Palapa B2P আৰু ApStar1ৰ জৰিয়তে পদাৰ্পণ কৰিলে। তথাপিও ১৯৯৫ চনৰ শেষাৰ্ধলৈ মহাদেশখনৰ প্ৰায় ৩.১ মিলিয়ন গৃহত ডিস্কোভাৰী চেনেল উপলব্ধ হ'ল। ইয়াৰে ২ মিলিয়ন আছিল কেৱল টাইৱানৰ দৰ্শক য'ত চেনেলটোৱে প্ৰসাৰ বৃদ্ধিৰ বাবে অনুষ্ঠানসমূহত চাব-টাইটেল ব্যৱহাৰ কৰিছিল। ইণ্ডোনেছিয়া (ইণ্ডোভিচন গোটৰ বাবে),

হংকঙ (ৱাৰ্ফ কেব'লত) আৰু ফিলিপাইনছ, থাইলেণ্ড, জাপান তথা কোৰিয়াটো চেনেলটোৱে প্ৰসাৰ লাভ কৰিলে।

অন্যান্য ঃ ১৯৯০ চনত এছিয়াত উদ্বোধন কৰা নেছনেল জিঅ'গ্ৰাফিকৰ সংস্কৰণে খৰতকীয়াকৈ জনপ্ৰিয়তা লাভ কৰি প্ৰায় ২৫ মিলিয়ন গ্ৰাহক লাভ কৰিলে। যদিও প্ৰতিদ্বণ্ডী ডিস্কোভাৰী চেনেলে ৫ বছৰ আগৰে পৰা সম্প্ৰচাৰ আৰম্ভ কৰিছিল, নেছনেল জিঅ'গ্ৰাফীকে মূখ্য চেটেলাইট আৰু কেব'ল নেটৱৰ্কৰ জৰিয়তে সম্প্ৰচাৰৰ সূচনা কৰে (উদাহৰণস্বৰূপে ভাৰতত ষ্টাৰ টি.ভি., ইণ্ডোনেছিয়াত ইণ্ডোভিছন, মালয়েছিয়াত এষ্ট্ৰো, টাইৱানত ইষ্টাৰ্ণ টেলিভিচন আৰু ফিলিপাইনচত স্কাই কেৱলৰ জৰিয়তে ই সম্প্ৰচাৰ আৰম্ভ কৰিলে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ঃ ৩ সীমাৰ সিপাৰৰ বাতৰি মানে কি বুজে?

.....

.....

.....

প্ৰশ্ন ঃ ৪ আন্তঃদেশীয় টেলিভিচনৰ তিনিটা প্ৰকাৰৰ কি কি?

.....

.....

.....

প্ৰশ্ন ঃ ৫ এছিয়াত বি.বি.চি. ৱৰ্ল্ডৰ সম্প্ৰচাৰ কেতিয়াৰ পৰা আৰম্ভ হৈছিল?

.....

.....

.....

৩.৬ চি.টি.ভি. নেটৱৰ্ক

কানাডাত ২১ বছৰীয়া মুক্ত প্ৰশাসনৰ পাছত ১৯৫৭ চনত ৰক্ষণশীল দলৰ প্ৰধানমন্ত্ৰী জন ডাই ফ্লেবেকাৰৰ নেতৃত্বত চৰকাৰ গঠন হয়। এই চৰকাৰখনে ব্যক্তিগত সম্প্ৰচাৰণকাৰী সকলৰ "লবী"ৰ পাছত ১৯৫৮ চনত এখন নতুন সম্প্ৰচাৰ আইন প্ৰণয়ন কৰি কানাডাৰ সম্প্ৰচাৰৰ নিয়ন্ত্ৰণৰ বাবে বৰ্ড অফ ব্ৰডকাষ্ট গভৰ্ণৰচ (BBG) স্থাপন কৰিলে। ১৯৩৬ চনত স্থাপিত হোৱা কানাডিয়ান ব্ৰডকাষ্টিঙ কৰ্পৰেছন (CBC) ৰ বিৰুদ্ধে ব্যক্তিগত খণ্ডৰ সম্প্ৰচাৰক সকলে অভিযোগ কৰিছিল যে চি.বি.চি.য়ে তেওঁলোকৰ অত্যধিক নিয়ন্ত্ৰক আৰু প্ৰতিদ্বণ্ডীৰূপে অৱতীৰ্ণ হৈছে।

১৯৫৪ চনৰ পূর্বে চি.বি.চি.য়ে নিজৰ বাবেই কানাডাৰ ছখন মূল চহৰত সাতটা টি.ভি. ষ্টেচনৰ কাৰণে অনুজ্ঞাপত্ৰ প্ৰদান কৰিছে। ইয়াৰে দুটা টি.ভি. ষ্টেচন কেবল মনট্ৰীলতে আছিল। সমগ্ৰ কানাডাক সামৰিবৰ বাবে প্ৰয়োজনীয় পুঁজিৰ অভাৱ হোৱাৰ কাৰণে দেশখনৰ চৰকাৰে ৩৫ খন অন্যান্য চহৰত ব্যক্তিগত খণ্ডৰ ষ্টেচন মুকলিৰ অনুজ্ঞাপত্ৰ প্ৰদান কৰিছিল যাতে চি.বি.চি.ৰ টেলিভিচন নেটৱৰ্কৰ বাবে ফৰাছী আৰু ইংৰাজী ভাষাত অনুষ্ঠান নিৰ্মাণ কৰা হয়।

চি.বি.চি.ৰ অনুষ্ঠানৰ পৰিৱৰ্তে আন অনুষ্ঠান সম্প্ৰচাৰ কৰিবৰ কাৰণে জনসাধাৰণে জনোৱা দাবীৰ প্ৰতি সঁহাৰি জনাই বি.বি.জি.য়ে কানাডাৰ আঠখন মূখ্য চহৰ - হেলিফেক্স, মনট্ৰীল, অ'টোৱা, টৰোণ্ট, উইনিপেগ, কেলগেৰী, এডমণ্টন আৰু ভেঙ্কোভাৰত দ্বিতীয় একশ্ৰেণীৰ টেলিভিচন ষ্টেচন প্ৰতিষ্ঠাৰ অৰ্থে ১৯৫৯ চনত ৰাজহুৱা শুনানি গ্ৰহণ কৰা আৰম্ভ কৰে। সেইসময়ত কেলগেৰি আৰু এডমণ্টনত ব্যক্তিগত খণ্ডৰ ষ্টেচন থকাৰ বিপৰীতে আন অঞ্চল সমূহত চি.বি.চি.ৰ অধীনৰ সাতটা ষ্টেচন আছিল।

চি.টি.ভি. হৈছে ২০০২ চনৰ পৰা জনপ্ৰিয়তাৰ শীৰ্ষত থকা ব্যক্তিগতভাৱে নিয়ন্ত্ৰিত কানাডাৰ প্ৰথমটো সৰ্ববৃহৎ নেটৱৰ্ক। চি.টি.ভি. নামটোৰ কোনোধৰণৰ আনুষ্ঠানিক সম্পূৰ্ণ নাম নাই যদিও ইয়াক কানাডিয়ান টেলিভিচনৰ সমাৰ্থক হিচাপে ব্যৱহাৰ কৰা হয়। এই ধাৰণাৰ ১৯৬১ চনত চি.টি.ভি.ৰ উদ্বোধনৰ পূৰ্বৰ প্ৰচাৰৰ সময়ত আৰু ১৯৯৮ চনত ব্যৱহাৰ কৰা হৈছিল। অৱশ্যে চি.বি.চি.ৰ বিৰোধিতাৰ পৰিপ্ৰেক্ষিতত চি.টি.ভি.ৰ "কানাডিয়ান" শীৰ্ষক ব্ৰেণ্ডিং নোহোৱা কৰা হয়। চি.বি.চি.য়ে দাবী কৰে যে কানাডিয়ান শব্দটোৰ ওপৰত কেৱল তেওঁলোকৰহে অধিকাৰ আছে।

১৯৫৯ চনত টেলিভিচনৰ নিয়ন্ত্ৰণৰ বিষয়ে যেতিয়া আলোচনা আৰম্ভ হয় আৰু দ্বিতীয় পৰ্যায়ৰ টেলিভিচনৰ বাবে ৰাজহুৱা শুনানি আৰম্ভ কৰা হ'ল তেতিয়া এই ষ্টেচন সমূহৰ মাজত বিভিন্ন ধৰণৰ অনুষ্ঠানৰ বিনিময় আৰু অংশদাৰিত্বৰ বিষয়েও প্ৰস্তাৱ উত্থাপিত হয়। সুপৰিকল্পিতভাৱে নহ'লেও সেই সময়ত তিনিটা সাম্ভাব্য বিষয়ত গুৰুত্ব আৰোপ কৰা হয় —

১) নতুনকৈ অনুজ্ঞাপত্ৰ প্ৰদান কৰা ষ্টেচনসমূহলৈ চি.বি.চি.ৰ সা-সুবিধাৰ বিশদ ব্যাখ্যা।

২) টেপ বা ফিল্মৰ জৰিয়তে অনুষ্ঠান বিনিময় প্ৰক্ৰিয়াৰ সৰলীকৰণ কৰা আৰু

৩) ব্যক্তিগত খণ্ডৰ অধীনত থকা দ্বিতীয় পৰ্যায়ৰ নেটৱৰ্কৰ সম্পূৰ্ণ কাৰ্য্যকৰী কৰণ কৰা।

অৱশ্যে প্ৰথমটো আলোচনাৰ বিষয় খৰতকীয়াকৈ পৰিত্যাগ কৰা হ'ল। চি.বি.চি.য়ে নেটৱৰ্ক সেৱা স্বীকৃতিপ্ৰাপ্ত ষ্টেচনসমূহ আৰু সাম্ভাব্য দ্বিতীয় শ্ৰেণীৰ ষ্টেচন সমূহৰ মাজত বিতৰণ কৰিব লাগে নে নালাগে এই সম্পৰ্কত ১৯৫৯ চনৰ নৱেম্বৰ মাহত বি.বি.জি.ৰ সদস্য এডৱাৰ্ড ডানলোপে বিতৰ্কৰ সূচনা কৰে। কাৰণ ইয়াৰ পূৰ্বে চি.বি.চি.ৰ অধীনত সম্প্ৰচাৰিত ৰেডিঅ'ত এইধৰণৰ নিৰ্দেশনা প্ৰচলিত আছিল য'ত চি.বি.চি.য়ে ইংৰাজী ভাষাৰ নেটৱৰ্কৰ ক্ষেত্ৰত দুইধৰণে কাৰ্য্য সম্পাদন কৰিছে। এটা ধৰণ নিজৰ অধীনৰ ষ্টেচনৰ সমূহৰ বাবে আৰু দ্বিতীয়বিধ ব্যক্তিগত খণ্ডৰ স্বীকৃতিপ্ৰাপ্ত নেটৱৰ্ক সেৱা ব্যৱস্থাৰ কাৰণে পৃথক আছিল। অৱশ্যে দুয়োধৰণৰ সেৱা ব্যৱস্থাই একে দৰ্শককে সাঙুৰি ল'ব পাৰিছিল।

চি.টি.ভি.য়ে আঠখন চহৰত সেৱা আৰম্ভ কৰিছিল। এই চহৰকেইখন হ'ল — ভেঙ্কোভাৰ (CHAN), কেলগাৰী (CFCN-TV), এডমণ্টন (CFRN-TV), উইনিপেগ (CJAY), টৰোণ্ট (CFTO), অ'টোৱা (CJOH), মন্ট্রীল (CFCF-TV) আৰু হেলিফেক্স (CJCH-TV)।

প্রথম সময়ত মন্ট্রীল, অ'টোৱা আৰু টৰোণ্টৰেহে পোনপটীয়া অনুষ্ঠান সম্প্রচাৰ লাভ কৰিছিল। আন তিনিখন চহৰত চি.বি.চি.ৰ মাইক্র'ৱেভ সুবিধাৰ সহায়েৰে অনুষ্ঠান প্রচাৰ কৰিছিল যদিও সেয়া সম্ভৱ হৈছিল যেতিয়া চি.বি.চি.য়ে অনুষ্ঠান প্রচাৰৰ বাবে মাইক্র'ৱেভৰ ব্যৱহাৰ কৰা নাছিল। সেই ষ্টেচনসমূহে ভিডিঅ' অনুষ্ঠান সমূহ বাণীবদ্ধ কৰি ৰাখিছিল আৰু নির্দিষ্ট সময়ত প্রচাৰ কৰিছিল। অৱশ্যে চি.টি.ভি.য়ে টেলিফোন ব্যৱস্থাৰ সৈতে চুক্তি কৰি ১৯৬২ চনৰ ছেপ্তেম্বৰ মাহত মাইক্র'ৱেভৰ পৰিসীমা পশ্চিমৰ ভেঙ্কোভাৰলৈ আৰু ১৯৬৩ চনৰ গ্রীষ্ম কালত পূব দিশৰ হেলিফেক্সলৈ সম্প্রসাৰিত কৰে। নেটৱৰ্ক সঞ্চালন ব্যৱস্থাৰ পিতৃস্বৰূপ এণ্ড্রিউ ষ্টুৱার্টে এই ব্যৱস্থাৰ প্রথম অনুষ্ঠান মুকলিৰ সময়ত ঘোষণা কৰিছিল যে "যোগাযোগ ব্যৱস্থাৰ ক্ষেত্রত এয়া এটি গুৰুত্বপূর্ণ পদক্ষেপ আৰু কানাডাক একেডাল সূতাৰে বন্ধাৰ ক্ষেত্রত আৰু আন এখোজ অগ্রগতিৰ প্রয়াস" (An important step in communications and another tie binding Canada together)।



৩.৭ অধ্যয়টিৰ পৰা আমি কি শিকিলো

- আন্তঃদেশীয় (Transnational) টেলিভিচনে গোলকীকৰণৰ সৈতে অভিযোজিত হোৱাই নহয় ই নব্য গোলকীয় নীতি নির্দেশনা যুগুত কৰাটো সহায় কৰিছে।
- দ্বিতীয় মহাযুদ্ধৰ আগে-পাছে পশ্চিমৰ উন্নত দেশৰ ধনী দর্শকৰ সন্মুখত দাঙি ধৰাৰে পৰা এতিয়ালৈকে এই সম্প্রচাৰ মাধ্যমে অতিশয় শক্তিশালী মাধ্যম ৰূপে বিশ্বত প্রতিষ্ঠা লাভ কৰিছে।
- চালাবিয়ে (২০০৫) বিশ্ব টেলিভিচন ব্যৱস্থাৰ চাৰিটা জটিলভাৱে সংহত (Complexly integrated) আৰু পৰিৱর্তনশীল উপাদানৰ কথা উল্লেখ কৰিছে।
- ১৯৫০ আৰু ১৯৫২ চনত বৃটিছ ব্রডকাষ্ট ক'র্পৰেশ্বন (বি.বি.চি.) আৰু ৰেডিঅ' টেলিভিছ্যঅঁ ফছেজেঁ (Radio Television Francaise-RTF) য়ে প্রথমবাৰৰ বাবে আন্তঃদেশীয় টেলিভিচন সম্প্রচাৰৰ কথা অনুধাৱন কৰে।
- ইউৰোপীয় সম্প্রচাৰ সংস্থাৰ অংশ হিচাপে ১৯৫৪ চনত ছুইজাৰলেণ্ডৰ জেনেভাত ইউৰো ভিচন টেলিভিচন নেটৱৰ্কৰ স্থাপন কৰা হয়। টেলিভিচনৰ অনুষ্ঠান আৰু বাতৰিৰ ফুটেজ বিনিময়ৰ কাৰণে (Euro Vision New Exchange EVN-ৰ জৰিয়তে দৈনিক বাতৰি বিনিময় কৰা হৈছিল) ইউৰো ভিচন প্রতিষ্ঠা কৰা হৈছিল।

- শেহতীয়া কেইবাটাও দশকত সীমাৰ সিপাৰৰ পৰা সম্প্ৰচাৰ হোৱা টেলিভিচন চেনেল সমূহ সমগ্ৰ বিশ্বত ক্ৰমশঃ বৃদ্ধি পাবলৈ ধৰিছে। দক্ষিণ এছিয়াত ষ্টাৰ (Star) আৰু জি. (Zee) টি.য়ে স্থানীয় সম্প্ৰচাৰ সমূহৰ সন্মুখত প্ৰত্যাহ্বান থিয় কৰাই নিজৰ এখন বজাৰ সৃষ্টি কৰাত সফল হয়।
- আন্তঃদেশীয় টেলিভিচন চেনেল সমূহৰ সংবাদ মাধ্যমৰ বজাৰখনত ভিন ভিন প্ৰভাৱ আছিল যদিও এই চেনেলসমূহৰ য'তেই বিকাশ হৈছে তাতেই গোলকীকৰণৰ বিভিন্ন বিষয় উত্থাপিত কৰিছে।
- বিংশ শতিকাত এছিয়াৰ যোগাযোগ আৰু সংবাদ মাধ্যমৰ পৰিৱৰ্তন ত্বৰান্বিতভাৱে হোৱা পৰিলক্ষিত হয়।
- চি.টি.ভি. হৈছে ২০০২ চনৰ পৰা জনপ্ৰিয়তাৰ শীৰ্ষত থকা ব্যক্তিগতভাৱে নিয়ন্ত্ৰিত কানাডাৰ প্ৰথমটো সৰ্ববৃহৎ নেটৱৰ্ক। চি.টি.ভি. নামটোৰ কোনোধৰণৰ আনুষ্ঠানিক সম্পূৰ্ণ নাম নাই যদিও ইয়াক কানাডিয়ান টেলিভিচনৰ সমাৰ্থক হিচাপে ব্যৱহাৰ কৰা হয়। এই ধাৰণাৰ ১৯৬১ চনত চি.টি.ভি.ৰ উদ্বোধনৰ পূৰ্বৰ প্ৰচাৰৰ সময়ত আৰু ১৯৯৮ চনত ব্যৱহাৰ কৰা হৈছিল।

৩.৮ অগ্ৰগতিৰ খতিয়ানৰ নিৰিখ ঃ


প্ৰশ্নোত্তৰ ১ ঃ ইউৰো ভিচন হৈছে ইউৰোপিয়ান ব্ৰডকাষ্টিন ইউনিয়নৰ টেলিভিচনৰ নেটৱৰ্কৰ অংশ। ১৯৫৪ চনত ছুইজাৰলেণ্ডৰ জেনেভাত ইউৰো ভিচন স্থাপন কৰা হয়। ইয়াৰ স্থাপনৰ উদ্দেশ্য আছিল টি.ভি. অনুষ্ঠান আৰু বাতৰিৰ ফুটেজ সমূহ বিনিময় কৰা।

প্ৰশ্নোত্তৰ ২ ঃ ইউৰো ভিচনৰ প্ৰথম সংগীত প্ৰতিযোগিতা ছুইজাৰলেণ্ডৰ লুগান'ত অনুষ্ঠিত হৈছিল।

প্ৰশ্নোত্তৰ ৩ ঃ সীমাৰ সীপাৰৰ পৰা অহা বাতৰিৰ অৰ্থ হৈছে জনসাধাৰণে বৰ্তমানে বসবাস কৰা দেশখনৰ বাহিৰৰ দেশত নিৰ্মিত অনুষ্ঠান সমূহ মাহেকীয়া হিচাপত উপভোগ (Consume) কৰা।

প্ৰশ্নোত্তৰ ৪ ঃ প্ৰসাৰৰ দিশৰ পৰা তিনিধৰণৰ ক'ভাৰেজ ব্যৱস্থা পোৱা যায়। ১) বহুভৌগোলিয় ২) সমগ্ৰ আঞ্চলিক আৰু ৩) গোলকীয় ব্যৱস্থা।

প্ৰশ্নোত্তৰ ৫ ঃ ১৯৯১।



৩.৯ অধিক জানিবলৈ ঃ

1. Chalaby, J. K. (2003). Television for a new global order: Transnational television networks and the formation of global systems. *Gazette (Leiden, Netherlands)*, *65*(6), 457-472.
2. Fricker, K., & Gluhovic, M. (Eds.). (2013). *Performing the'New'Europe: Identities, Feelings and Politics in the Eurovision Song Contest*. Springer.
3. Kitley, P., Moran, A., & Keane, M. (2004). Television across Asia: Television industries, programme formats and globalization.
4. Peers, F. W. (1979). *The public eye: Television and the politics of Canadian broadcasting, 1952-1968*. University of Toronto Press.

Thomas, A. O. (2005). *Imagi-nations and borderless television: Media, culture and politics across Asia*. SAGE Publications India



৩.১০ আৰ্হি প্ৰশ্ন ঃ

ক) অতি চমু প্ৰশ্ন ঃ

১) আন্তঃদেশীয় টেলিভিচন কি?

২) কানাডাৰ যিকোনো এটা টেলিভিচন নেটৱৰ্কৰ নাম লিখক?

৩) বহলাই লিখক — বি.বি.চি. (B.B.C.) আৰু আৰ.টি.এফ. (R.T.F.)

খ) চমু প্ৰশ্ন *(প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ১৫০ শব্দৰ ভিতৰত লিখক)*

১) জ্যাঁ চালাবিৰ ভাষাত ধৰিত্ৰীয় টেলিভিচন ব্যৱস্থাৰ চাৰিটা আন্তঃসংযোগী উপাদান কি কি?

২) ইউৰো ভিচনৰ বিষয়ত চমুটোকা লিখক।

গ) ৰচনাধৰ্মী প্ৰশ্ন *(প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ৩০০ ৰ পৰা ৫০০ শব্দৰ ভিতৰত লিখক)*

প্ৰশ্ন ১ ঃ একবিংশ শতিকাত এছিয়াত হোৱা সংবাদ মাধ্যম আৰু যোগাযোগ ব্যৱস্থাৰ পৰিৱৰ্তনৰ বিষয়ে চমুকৈ বৰ্ণনা কৰা।

প্ৰশ্ন ২ ঃ ১৯৫০ ৰ দশকত হোৱা ফ্ৰান্স আৰু ব্ৰিটিছ আন্তঃদেশীয় টেলিভিচন বিনিময় সম্পৰীক্ষাৰ বিষয়ে লিখক?

● ● ●